# লয় হোৱাৰ পিছৰ যাত্ৰা –

## যেতিয়া পানীয়ে পাহৰে যে ই হাইড্ৰ’জেন আছিল



বাৰ্তা

## পূজ্য দাজীৰ

৭০ তম জন্ম বাৰ্ষিকী উপলক্ষে
২৮ চেপ্তেম্বৰ, ২০২৫, কান্হা শান্তি বন

# লয় হোৱাৰ পিছৰ যাত্ৰা –
## যেতিয়া পানীয়ে পাহৰে যে ই হাইড্ৰ’জেন আছিল



প্ৰিয়জন,

বেছিভাগ মানুহেই বিশ্বাস কৰে যে মুক্তি বা নিৰ্বাণেই আধ্যাত্মিক বিকাশৰ শিখৰ। ই হৈছে লোভ, ঘৃণা, দম্ভ, আৰু অজ্ঞতাৰ অগ্নি নিৰ্বাপণ কৰা। ইয়েই যন্ত্ৰণা আৰু মৃত্যুৰ চক্ৰৰ অন্ত। ইয়েই মুক্তিৰ অন্তিম অৱস্থা।

ইয়াৰ পিছত, যেতিয়া আমাৰ অহংকাৰ পিছলৈ আঁতৰি যাবলৈ ম্লান হৈ পৰে, আমি কবীৰ চাহাবে কোৱা কথাৰ আধাৰত লয় হোৱাৰ সম্ভাৱনাৰ বিষয়ে অলপ কিবা বুজিবলৈ আৰম্ভ কৰোঁ। কবীৰ চাহাবে এইটো বৰ সহজ কথাত কৈছে। তেওঁ কৈছে যে এই অৱস্থাটো বৰষুণৰ টোপাল মহাসমুদ্ৰত পৰাৰ নিচিনা। ই কেনেকৈ মহাসমুদ্ৰ হয় সেইটো বৰ্ণনা কৰিবলৈ কোনো টোপালেই আৰু নাথাকে।

বাবুজীয়ে কৈছে, “যেতিয়া তুমি লয় প্ৰাপ্তি সাধন কৰা, তোমাক অৱশেষত আৰম্ভণি কৰা বুলিহে ক’ব পাৰি।” এই স্তম্ভিত উক্তিটোৱে আমি কিবা জানো বুলি ভবা সকলো ওলট পালট কৰি দিয়ে। যিটো আমি পথটোৰ অন্ত বুলি ভাবিছিলোঁ সেইটোৱে আচলতে আমাক প্ৰকৃত যাত্ৰা আৰম্ভ কৰাৰ কাৰণে প্ৰস্তুতহে কৰে।

অন্যধৰণে ক’বলৈ গ’লে এজন সংগীতজ্ঞই বছৰ বছৰ ধৰি তেওঁৰ বাদ্যযন্ত্ৰ কেনেকৈ পৰিৱেশন কৰিব লাগে সেইটো শিকে। আচলতে তেওঁলোকে যেতিয়া সেইটোত সম্পূৰ্ণৰূপে প্ৰভুত্ব অৰ্জন কৰে, তেতিয়াহে কেৱল তেওঁ নিজৰ সৃষ্টি ৰচনা কৰা আৰম্ভ কৰে, তেতিয়া তেওঁলোক আৰু তেওঁলোকৰ সংগীতৰ মাজত কোনো পাৰ্থক্য নাথাকে। কৌশলবোৰে বিশুদ্ধ অভিব্যক্তিৰ পথ প্ৰশস্ত কৰে।

এতিয়া প্ৰশ্ন হৈছে: সংগীতজ্ঞজন আৰু সংগীতৰ ঐক্য অৱস্থা অতিক্ৰম হোৱাৰ পিছত কি আছে? ই হৈছে নিঃশব্দতা য’ৰ পৰা সকলো সংগীত আহে আৰু য’লৈ ই ম্লান হৈ যায়। ই ৰিক্ত নিঃশব্দতা নহয়, কিন্তু সম্ভৱপৰ প্ৰতিটো সুৰেৰে পৰিপূৰ্ণ এটা নিঃশব্দতা। মাষ্টাৰ সংগীতজ্ঞজনে জানে যে বেছিভাগ প্ৰভাৱশালী সংগীতেই স্বৰবোৰৰ অন্তৰ্ৱৰ্তী স্থলত পৰিৱেশন কৰা হয়।



**“যেতিয়া তুমি লয় প্ৰাপ্তি সাধন কৰা, তোমাক অৱশেষত আৰম্ভণি কৰা বুলিহে ক’ব পাৰি।”**

**–বাবুজী**

লয় অৱস্থা আৰু ই অতিক্ৰম হৈ কি হয় তালৈ দৃষ্টি দিওঁ আহক।

প্ৰথমতে আমি জানিব লাগিব এইটো কোনে বিচাৰে? আৰু সন্ধানটোৰ অন্ত পৰিছে বুলি জানিবলৈ কোন থাকে? টোপালটোৱে যদি দাবী কৰে যে “মই মহাসমুদ্ৰ হৈ পৰিছোঁ”, ই ইয়াকে প্ৰতিপন্ন কৰে যে টোপালটো এতিয়াও লয় হৈ পৰা নাই। প্ৰকৃত লয়ৰ অন্তত এনে দাবী কৰিবলৈ কোনো “মই” অৱশিষ্ট নাথাকে, আৰু নিজক ছিন্ন-ভিন্ন হৈ পৰাটো চাবলৈ কোনো সত্তাই বৰ্তি নাথাকে। টোপালটোৱে ক’ব নোৱাৰে, “মই এতিয়া মহাসমুদ্ৰ”, কাৰণ সেইটো ক’ব পৰা “মই” আৰু নাই। এইটো আমি জনা ধৰণে মৃত্যু নহয়, ইয়েই বৃহত্তম পৰিৱৰ্তন। এই মৃত্যুৱে আনকি শাশ্বত জীৱনলৈ লৈ যাব পাৰে।

এই বিষয়ে এক মুহূৰ্ত ভাবক: “মহাসমুদ্ৰময় (oceanness) হৈ পৰাৰ অভিজ্ঞতা কোনে লাভ কৰে?” বুলি যিটো টোপালে এই প্ৰশ্নটো সুধিছিল, সেইটো আৰু নাই। এইটো এইদৰে সোধাৰ নিচিনা, “মমবাতিৰ শিখাই যেতিয়া বনজুইৰ সৈতে লগ লাগে তেতিয়া ই কি ভাবে? এই প্ৰশ্নটোৱে এতিয়া জীৱন্ত নথকা কোনো এজন চিন্তা কৰা মানুহৰ ধাৰণাহে দিয়ে।

প্ৰকৃতিয়ে অতিশয় সাধাৰণ বস্তুবোৰৰ মাজত এই ডাঙৰ ৰহস্যটো আমাক দেখুৱাই। হাইড্ৰ’জেনৰ কথা লওক: ই বিস্ফোৰিত হ’ব পাৰে, ই বিপজ্জনক, আৰু ই জুই লাগিবলৈ প্ৰস্তুত থাকে। প্ৰত্যেক জুইতে অক্সিজেন যুক্ত হৈ ইয়াক খৰকৈ প্ৰজ্বলিত কৰে। হাইড্ৰ’জেন আৰু অক্সিজেনে নিজে সংকট বিয়পাব পাৰে। কিন্তু যেতিয়া সেই দুটা সঠিক উপায়েৰে যুক্ত হয় কি হয়? পানী! যিটো বস্তু সকলো জীৱৰ আধাৰ আৰু সকলো জীৱন চলন্ত কৰি ৰাখে।

এতিয়া মন দি শুনক। হাইড্ৰ’জেনৰ কি হ’ল? অক্সিজেন ক’ত গ’ল? সেইদুটাৰ বিনাশ হোৱা নাই। সেই দুটা কিবা এটালৈ সলনি হ’ল যিটো সিঁহতৰ কোনোটোৱেই নিজে কল্পনা কৰিব পৰা নাছিল। হাইড্ৰ’জেনে ক’ব নোৱাৰে, ‘‘মই এতিয়া পানী,” কাৰণ সেই দাবীটো সমৰ্থন কৰিবলৈ হাইড্ৰ’জেন ইয়াৰ বিশুদ্ধ ৰূপত আৰু নাই। আদি উপাদান দুটাৰ পৰা ভিন্ন এটা নতুন বস্তু বাস্তৱত উদয় হ’ল আৰু ই এটা বেলেগ উদ্দেশ্য সাধন কৰে।

ক্লৰিণ আৰু চডিয়ামে কৰিব পৰা চমৎকাৰী কথাবোৰ চাওক। ক্লৰিণ এটা বিষাক্ত গেচ যিটো যুদ্ধত ব্যৱহাৰ হয়, আৰু চডিয়াম পানীৰ সংস্পৰ্শত আহিলেই বিস্ফোৰিত হয়। কিন্তু যেতিয়া সেই দুটা যুক্ত হয়, নিমখ গঠন হয় আৰু নিমখ আমাৰ শৰীৰৰ প্ৰত্যেক কোষতে লাগে। মাৰাত্মক বস্তু দুটা প্ৰয়োজনীয় হৈ পৰিল, আৰু বিষাক্ত বস্তু দুটা নিৰাপদজনক হৈ পৰিল।

নদীখন মহাসমুদ্ৰত লগ লগা, বৰষুণৰ টোপালটো মহাসমুদ্ৰত পৰা, আৰু হাইড্ৰ’জেন অক্সিজেনৰ সৈতে যুক্ত হোৱা, এই সকলোবোৰ পৰিঘটনাত নিহিত উদ্দেশ্য হৈছে এক হোৱা। ই ইয়াকে দেখুৱাই যে লয় কেৱল দুটা বস্তু একেলগ হোৱাটোৱেই নহয়,

এই লয় কিবা এটা নতুন আৰু অৰ্থপূৰ্ণ বস্তু গঢ়ি তোলাৰ কাৰণেহে হয়। ই পুৰণি পৰিচয়বোৰ এৰি এটা নতুন পৰিচয় বিচৰাৰ কাৰণেহে হয়, যিটো প্ৰতিটোৱেই এটা মহত্বপূৰ্ণ উদ্দেশ্যৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে।

- মহত্বৰ উদ্দেশ্যৰ কাৰণে নিজক হেৰুৱাই পেলোৱা – এইটো এটাই আনটোক গ্ৰাস কৰি লোৱা নহয়। ই হৈছে দুয়োটা সত্তাই নিজৰ পৰিচয় এৰি এটা নতুন, উচ্চতৰ উদ্দেশ্যলৈ যুক্ত হৈ পৰা। এইটোক কিবা এটা এৰি দিয়াৰ কথা ভাবক যিটোৱে আপোনাক পূৰ্ণতা প্ৰাপ্তিৰ অনুভৱ দিব।

- এটা অৱস্থাৰ পৰিৱৰ্তন, ই কেৱল এটা সংযোজন নহয় – এটা সৰ্বসাধাৰণ মিলন হৈছে দুটা ভিন্ন ৰঙ মিশ্ৰিত হৈ এটা নতুন ৰঙ হোৱা। অন্যহাতে, এটা অতিক্ৰমণৰ লয়ত হাইড্ৰ'জেন আৰু অক্সিজেন যুক্ত হৈ পানী হোৱাৰ দৰে দুটা বস্তু সম্পূৰ্ণৰূপে এটা নতুন বস্তু হৈ পৰিবলৈ একেলগ হয়। সেই দুটাৰ কেৱল মিশ্ৰণেই নহয়, সিঁহতৰ পৰিৱৰ্তন হয়।

- অপ্ৰত্যাশিত ফল – অতিক্ৰমণৰ অন্তত হৈ পৰা সত্তাটোৱে আৰম্ভণিৰ সত্তা দুটাই নিজে কৰিব নোৱাৰা কাম কৰিব পাৰে। নতুন সত্তাটোৰ এটা নতুন কাৰ্যসামৰ্থ, এটা নতুন মন, অথবা এটা নতুন লক্ষ্য আছে যিটো লয়ৰ পূৰ্বতে ইয়াৰ নাছিল।

যেতিয়া বাবুজীয়ে কয় যে লয় মাত্ৰ আৰম্ভণিহে, বহতো মানুহ স্তম্ভিত হয়। তেওঁলোকে কয়, “মাষ্টাৰ, যদি এটা (এক) হৈ পৰাটো যাত্ৰাৰ অন্ত নহয়, ইয়াৰ পিছত কি আহে?”

মই অভিজ্ঞতাৰ পৰা শিকা কথাটো এনেকুৱা –

প্ৰথমতে আহে লয়, যিটো মহাসমুদ্ৰই দুই বাহু মেলি নদীখনক স্বাগতম জনোৱাৰ নিচিনা। আনকি যদিও ম্লান হৈ পৰে, তথাপিতো এখন নদীৰ স্মৃতি তেতিয়াও থাকে। এইটো বিবেচনা কৰক যে একেটা লোকতে (সালোক্যতা) আহি পৰাৰ কাৰণেহে নদীখনৰ এই গতিপ্ৰবাহ হয়।

এটা অতিক্ৰমণৰ লয়ত হাইড্ৰ’জেন আৰু অক্সিজেন যুক্ত হৈ পানী হোৱাৰ দৰে দুটা বস্তু সম্পূৰ্ণৰূপে এটা নতুন বস্তু হৈ পৰিৱৰ্তন হয়, সেই দুটাৰ কেৱল মিশ্ৰণেই নহয়, সিঁহতৰ পৰিৱৰ্তন হয়।



তাৰ পিছত, আমি পৰিপক্কতা পোৱাৰ লগে লগে আমি সেইটোৰ অনুৰূপ (identical) হৈ পৰোঁ, আৰু ভিন্ন হৈ থকাৰ স্মৃতি ম্লান পৰি যায়। চডিয়ামে যুক্ত হোৱাৰ পিছত আগতে যে চডিয়াম আছিল সেইটো মনত পেলাব নোৱাৰে। ই মাত্ৰ নিমখ হৈ পৰে, আৰু ই আকৌ বিস্ফোৰক হ’বলৈ ঘূৰি যাব নিবিচাৰে।

এইটো নিবিড় সামঞ্জস্যৰ (Close Conformity) কাৰণে যথেষ্ট নহয়। নিবিড় সামঞ্জস্যৰ অৱস্থাত আমাৰ ব্যক্তিগত “ইচ্ছা(will) নাইকিয়া হয়, আৰু এনেকুৱা নিঁখুত সমন্বয় স্থাপন হয় যে কোনো প্ৰতিৰোধ নোহোৱাকৈ বা আনকি কোনো গতিৰ সজাগতা নথকাকৈ পাত্ৰটোৰ মাজেদি দিব্য ইচ্ছাশক্তি প্ৰবাহিত হয়। ই একো ঠেলি দূৰ নকৰে, ই সকলো ধৰি ৰাখে, ঠিক আকাশৰ দৰে।

আৰু আনকি ইয়াৰো অধিক শব্দই একো প্ৰকাশ কৰিব নোৱাৰে। পানীয়ে জীৱিত বস্তুবোৰক প্ৰতিপালন কৰা মানে কি, সেইটো হাইড্ৰ’জেন আৰু অক্সিজেনক কেনেকৈ ক’ব পাৰিব? নিমখে আহাৰ তাজা ৰাখি আৰু তেজত ইয়াৰ সূক্ষ্ম সন্তুলন ৰক্ষা কৰি কিমান সুখী, সেইটো চডিয়াম আৰু ক্লৰিণক কেনেকৈ ক’ব পাৰিব?

পাশ্চাত্য দৰ্শনে “ৰিক্ত”(void) অৱস্থাক ভয় লগাকৈ এটা শূন্য অৱস্থা বুলি কয়, কিন্তু আমি জানো ই অতি সক্ৰিয় পূৰ্ণতা। যেতিয়া হাইড্ৰ’জেন আৰু অক্সিজেন পানী গঠন কৰিবলৈ একেলগ হয়, সেই দুটা “শূন্য” অৱস্থালৈ সলনি হয় নেকি?

নহয়! সেইবোৰে সামগ্ৰিক পাৰিপাৰ্শ্বিক তন্ত্ৰবোৰক সহায় কৰিব পাৰে। লয়ৰ পিছত অহংকাৰৰ শূন্যতাই বা ৰিক্ততাই তেনেদৰেই অনুভৱ কৰে। ই ৰিক্ত হৈ নপৰে, ই ইমান পূৰ্ণ হৈ থাকে যে ইয়াক কোৱাৰ আৱশ্যকতা নাথাকে।

আত্ম উপলব্ধি কৰা এজন মানুহে যিজনে লয়ৰ আগলৈ গতি কৰিছে তেওঁ “মই আন্তৰিক আলোকপ্ৰাপ্তি হ’লোঁ” বুলি কৈ নুফুৰে। পানীয়ে ক’বলগীয়া নহয়, “মই পানী ($H_2O$)।” ই প্ৰবাহিত হয়, ই পেয়, পানীয়ে পৰিষ্কাৰ কৰে আৰু পৰিপোষণ কৰে, ইয়াৰ সেই অস্তিত্বটোৱেই ইয়াৰ পৰিচয়।

আত্ম উপলব্ধি কৰা এজন মানুহে যিজনে লয়ৰ আগলৈ গতি কৰিছে তেওঁ “মই আন্তৰিক আলোকপ্ৰাপ্তি হ’লোঁ” বুলি কৈ নুফুৰে। পানীয়ে ক’বলগীয়া নহয়, “মই পানী ($H_2O$)।” ই প্ৰবাহিত হয়, ই পেয়, পানীয়ে পৰিষ্কাৰ কৰে আৰু পৰিপোষণ কৰে, ইয়াৰ সেই অস্তিত্বটোৱেই ইয়াৰ পৰিচয়।

এতিয়া এটা ভাবিবলগীয়া কথা আছে। লক্ষ্যটো মহাসমুদ্ৰ হৈ পৰা নহয়। অনুভৱ কৰিবলগা কথাটো হৈছে আপুনি কেতিয়াও টোপাল নাছিল। আপুনি সদায় মহাসমুদ্ৰই আছিল যিটোৱে ইয়াক এটা টোপাল বুলি ভাবিছিল। কিন্তু এই জ্ঞানেই অন্ত নহয়, ই প্ৰকৃত কাৰ্যৰ আৰম্ভণিহে।

মহাসমুদ্ৰ বুলি উপলব্ধি কৰাৰ পিছত আপুনি কেনেকৈ চেতনভাৱে নিজক এটা টোপালৰ স্বপ্নলৈ ঘূৰাই নিব পাৰে সেইটো শিকা আৱশ্যক। এইবাৰ আপুনি অজ্ঞতাবশতঃ এইটো নকৰে, কিন্তু পৰম জ্ঞানৰ মাজত থাকি কৰিব। এইটোৱেই

বন্ধনত থকা এটা আত্মাৰ পৰা এটা মুক্ত আত্মাক পৃথক কৰে। এজন মানুহে যি দেখে সেইটো বিশ্বাস কৰে, অন্যহাতে আনজনে জানি বুজি নিজৰ ভূমিকা পালন কৰে যাতে আনসকলে স্বপ্ন দেখি থাকিব পাৰে। বাবুজীয়ে কয়, “মই যেতিয়া কথা কওঁ, মই সদায় ভাবোঁ কোনে কৈছে: লালাজীয়ে, মই, নে আন কোনোবাই কৈছে নেকি?” এই সকলোবোৰৰ পৰা এটা কথা নিশ্চিত, ‘’মই-ভাব” দূৰ হৈ পৰে।

আপুনি ভাবিব পাৰে, “এইবোৰ মহান ধাৰণা, কিন্তু তথাপিতো মই প্ৰত্যেক দিনে ৰাতিপুৱা ট্ৰেফিক জাম আৰু আন সমস্যাবোৰ চম্ভালিব লাগিব।” এইটোৱেই কথা। নিজকে প্ৰতিটো টোপাল বুলি কেনেকৈ অনুভৱ কৰিব সেইটো মহাসমুদ্ৰখনে জানিব লাগিব, অসীমত আশ্ৰিত হৈ থাকি নিজৰ মূৰ্ত উদ্ভাসৰ সীমাবদ্ধতাবোৰৰ প্ৰতি সম্পূৰ্ণৰূপে সজাগ হৈ থাকিবলৈ শিকিব লাগিব।

লক্ষ্যটো মহাসমুদ্ৰ হৈ পৰা নহয়। অনুভৱ কৰিবলগা কথাটো হৈছে আপুনি কেতিয়াও টোপাল নাছিল। আপুনি সদায় মহাসমুদ্ৰই আছিল যিটোৱে ইয়াক এটা টোপাল বুলি ভাবিছিল। কিন্তু এই জ্ঞানেই অন্ত নহয়, ই প্ৰকৃত কাৰ্যৰ আৰম্ভণিহে।



আপুনি সুধিব পাৰে, “কিন্তু দাজী, বাস্তৱিক জীৱনত আমি এইটো কেনেকৈ কৰিব পাৰোঁ?”

পানীৰ নিচিনা হওক। পানীয়ে কাক সহায় কৰিব নিৰ্বাচন নকৰে। ই নকয়, “মই কেৱল সোণালী নলাটোৱেদিহে প্ৰবাহিত হ’ম।” পানী একেই থাকে, কিন্তু প্ৰতিটো পাত্ৰত ভৰ্তি হ’বৰ কাৰণেই ই নিজক সলনি কৰে। যেতিয়া গৰম কৰা হয়, কোনো সমস্যা নকৰাকৈ বাস্প হয়। ই সহজেই গোট মাৰে আৰু শীতল হয়। কিন্তু ই

প্ৰকৃততে কি সেইটো কেতিয়াও নাপাহৰে, আনকি এই সকলোবোৰ পৰিৱৰ্তনৰ সৈতেও পানী জীৱনক চলন্ত কৰি ৰখাৰ এটা সম্পদ।

চডিয়ামে আপোনাক কি শিকাই সদায় মনত ৰাখিব। জীৱনৰ কাৰণে অপৰিহাৰ্য হ'লেও আনকি যদি পানীও এটা ভুল উপাদানৰ সংস্পৰ্শত আহে. ই আমাৰ কাৰণে বেয়া হ'ব পাৰে। আধ্যাত্মিক যাত্ৰাত পানীৰ দৰে নমনীয় মনোভাব, আৰু আমাক পৰিৱৰ্তনৰ কাৰণে সহায় কৰিবলৈ প্ৰকৃত ব্যক্তিজনক বাছি লোৱাৰ জ্ঞান থকা আৱশ্যক। বিবাহৰ ক্ষেত্ৰতো একেটা নীতিৰেই অনুৰণন হয়। কল্পনা কৰকচোন, ক্লৰিণৰ সৈতে লগ লগাৰ পৰিৱৰ্তে যদি চডিয়াম পানীৰ সংস্পৰ্শত আহে! বিস্ফোৰণ। লয়ৰ পিছত কি হয়? পানী গঠন হোৱাৰ পিছত যি হয় একেটাই হয়, পানী নিজে পৰিৱৰ্তিত হৈ পৰিব পৰা আৰু পানীয়ে কৰিব পৰা বহুতো কাৰ্য হ'ব পাৰে। বৰফৰ ভাস্কৰ্য ইমান সুন্দৰ, শ্বাসৰুদ্ধকৰ। পানীৰ ভাপে বৃহৎ ইঞ্জিনত শক্তি দিয়ে, শুকান মাটিলৈ মেঘে বৰষুণ আনে, নদীয়ে প্ৰবাহৰ মাজত প্ৰকাণ্ড কেনিয়ন সৃষ্টি কৰে, আৰু সূৰ্যক প্ৰতিবিম্বিত কৰা নিয়ৰৰ কণা সৃষ্টি কৰে।

পানীৰ নিচিনা হওক। পানীয়ে কাক সহায় কৰিব নিৰ্বাচন নকৰে। ই নকয়,"মই কেৱল সোণালী নলাটোৱেদিহে প্ৰবাহিত হ'ম।" পানী একেই থাকে, কিন্তু প্ৰতিটো পাত্ৰত ভৰ্তি হ'বৰ কাৰণেই ই নিজক সলনি কৰে।

আধ্যাত্মিক যাত্ৰাত পানীৰ দৰে নমনীয় মনোভাব, আৰু আমাক পৰিৱৰ্তনৰ কাৰণে সহায় কৰিবলৈ প্ৰকৃত ব্যক্তিজনক বাছি লোৱাৰ জ্ঞান থকা আৱশ্যক।

লয়ৰ অন্তত সেই স্থানত (space) বহুতো কথা হ’ব পাৰে। লগ লগাৰ আগতে সিঁহত দুটা হাইড্ৰ’জেন আৰু অক্সিজেন, আৰু সেই দুটাই আগতে থকা বা হ’ব পৰা সকলো পানী গঠন কৰিব পাৰে। তাত সমস্বৰ আৰম্ভ হওঁ হওঁ, আৰু ইয়াত সম্ভৱপৰ প্ৰত্যেকটো সুৰ আছে।

দুটা বৃহৎ শূন্য স্থান (void) লগলাগিলে কি হয়? যুক্তিৰ ফালৰ পৰা উত্তৰ হৈছে তাত একো নাথাকে, শূন্যতা (nothing)। কিন্তু এই শূন্যতা (nothing) সচৰাচৰ আমি বুজা শূন্য (zero) নহয়। ইনফিনিটি এটা গাণিতিক ধাৰণা যিটোৱে প্ৰতিপন্ন কৰে যে এটা ইনফিনিটি আন এটা ইনফিনিটিৰ সৈতে যোগ হ’লে যোগফল “দুই ইনফিনিটি” হোৱাৰ পৰিৱৰ্তে ইনফিনিটিয়েই হয়।

যেতিয়া গণিতজ্ঞসকলে উদঘাটন কৰিলে যে বিভিন্ন বিস্তাৰৰ ইনফিনিটি আছে, তেওঁলোকে এটা গভীৰ আধ্যাত্মিক সত্যৰ সান্নিধ্য লাভ কৰিলে। লয় হোৱাৰ পিছত কেৱল অসীম বস্তুবোৰেই নাথাকে, কিন্তু সেই অসীমৰো অসীম, অৰ্থাৎ অসীমবোৰৰ অগণন অসীম আছে, প্ৰতিটোৱেই ভিন্ন আৰু আন সকলোবোৰ অন্তৰ্ভুক্ত থাকে। সেইকাৰণে লয় হোৱাৰ পিছতো যাত্ৰা কেতিয়াও শেষ নহয়।

মই ক’ব বিচৰা কথা সেইটোৱেই: টোপালটো মহাসমুদ্ৰ হৈ নপৰে, টোপালটোৱে মাত্ৰ শিকে যে ই সদায়েই মহাসমুদ্ৰ। কিন্তু এই উদঘাটন অসীমৰ বিশ্ববিদ্যালয়ৰ স্কুলত মাত্ৰ প্ৰথম দিনৰ শিক্ষা। ইয়াৰ আগত কি আছে?

যিজনে এটাৰ পৰা আনটো অতিক্ৰমণৰ মাজেদি আগলৈ গৈ আছে তেওঁ সেইটো আপোনাক ক’ব পাৰিব। যেতিয়া তেওঁলোক ঘূৰি আহে তেওঁলোকে শিকে যে নিঃশব্দতাই কথাতকৈ অধিক ডাঙৰকৈ প্ৰকাশ কৰে, সেই স্থিতিত অধিস্থিত হোৱাটোৱে উপদেশতকৈ অধিক শিক্ষা দিয়ে, আৰু সমূলি একো শক্তি নথকাটোৱেই আটাইতকৈ ডাঙৰ শক্তি, যিটো হৈছে কেৱল প্ৰেম, যিটো হাইড্ৰ’জেন আৰু অক্সিজেনৰ শাশ্বত ক্ৰিয়াৰ নিচিনা, এটা আনটোত বিগলিত হয় আৰু ইয়েই জীৱন হিচাপে জীৱলৈ ঘূৰি আহে।

এইটোৱেই বস্তুবোৰ বিঘটন হোৱাৰ যাদু। এইটোৱেই পথটোৰ আগলৈ গতি কৰা পথ। সেইকাৰণেই যেতিয়া আপুনি সোধে, “লয়ৰ পিছত কি ঘটে”, মই কেৱল মৃদু হাস্যৰেহে সঁহাৰি দিব পাৰোঁ। আপুনি একো ক’ব নালাগে, আপুনি নিজে ইয়াৰ উত্তৰ হৈ পৰা আৱশ্যক।

আৰু যেতিয়া আপুনি সেইটো কৰে, মাষ্টাৰসকলে কিয় একো নকয় আপুনি বুজি পাব। তেওঁলোকে আমাক মাত্ৰ এগিলাচ পানী দিয়ে আৰু ইয়াত কিমান মহত্ব লুকাই আছে উদঘাটন কৰিবলৈ দিয়ে। যেতিয়া আপুনি সেই পানীৰ গ্লাচটো ধৰে, হাইড্ৰ’জেন আৰু অক্সিজেনে কেনেকৈ কিবা এটা বেলেগ বস্তুলৈ সলনি হ’ল সেইটোৰ বিষয়ে ভাবে। আপুনিয়েই মহাসমুদ্ৰ, আৰু ই কিমান বিশুদ্ধ সেইটো লৈ আপুনি স্তম্ভিত হয়। আপুনিয়েই দিব্যতা, লাহে লাহে ইয়াৰ নিজস্ব ক্ৰীড়ালৈ জাগ্ৰত হৈ উঠে।



লয় হোৱাৰ পিছত কেৱল অসীম বস্তুবোৰেই নাথাকে, কিন্তু সেই অসীমৰো অসীম, অৰ্থাৎ অসীমবোৰৰ অগণন অসীম আছে, প্ৰতিটোৱেই ভিন্ন আৰু আন সকলোবোৰ অন্তৰ্ভুক্ত থাকে। সেইকাৰণে লয় হোৱাৰ পিছতো যাত্ৰা কেতিয়াও শেষ নহয়।

আৰু সেই স্মৰণত অতিশয় বিস্ময়কৰ কিবা ঘটে: সৰ্বসাধাৰণ মানুহজন পবিত্ৰ হৈ পৰে, কিবা সলনি কৰি নহয়, কিন্তু যিটো সদায় আছিল সেইটো অন্তৰত প্ৰত্যক্ষ কৰি।

সকলোবোৰ লয়ৰ অতিক্ৰম হৈ আমি আহি পৰা সেই সৰ্বাত্মক নিঃশব্দতাত (Supreme Silence) তেওঁ যেন আমাক সঠিক পথটো বাছি লোৱাৰ কাৰণে প্ৰজ্ঞা দিয়ে।

মহান মাষ্টাৰলৈ প্ৰাৰ্থনাৰে,
কমলেশ



